অসমীয়া প্ৰতিদিন ■ গুৱাহাটী ■ শুকুৰবাৰ, ২৯ আগষ্ট, ২০২৫/১২ ভাদ, ১৯৪৭ শক

# দিছপুৰ মহাবিদ্যালয়ত ৪৭ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

গুৱাহাটী, ২৮ আগষ্ট ঃ দিছপুৰ মহাবিদ্যালয়ৰ প্ৰাংগণত আজি বৰ্ণাঢ্য কাৰ্যসূচীৰে ৪৭ সংখ্যক প্ৰতিষ্ঠা দিৱস অনুষ্ঠিত কৰা হয়। পুৱা মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই পতাকা উত্তোলন আৰু উপাধ্যক্ষা ইন্দ্ৰাণী চৌধুৰী মহন্তই ছহিদ তৰ্পণ কৰি কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। প্ৰতিষ্ঠা দিৱসৰ আহ্বায়ক ড° জ্যোতিষ গোস্বামীৰ পৰিচালনাত আয়োজিত অনুষ্ঠানত অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক বৰ্ণালী বৰাই আঁত ধৰাৰ লগতে মুকলি সভাত সভাপতিত্ব কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই যিসকল বৰেণ্য ব্যক্তিৰ উদ্যোগ তথা কষ্টৰ ফলত মহাবিদ্যালয়খন প্ৰতিষ্ঠা হৈছিল তেওঁলোকলৈ সশ্ৰদ্ধ প্ৰণিপাত জনাই কয় যে ছাত্ৰ-ছাত্ৰীৰ জ্ঞান আৰু কৌশল একত্ৰীকৰণৰ জৰিয়তে সামগ্ৰিক বিকাশ ঘটাই ছাত্ৰ-ছাত্ৰীৰ সৃষ্টিশীল মনোভাবক প্ৰাধান্য দি মানৱ সম্পদ গঢ় দিয়াটো মহাবিদ্যালয়ৰ উদ্দেশ্য। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° বলেন্দ্ৰ কুমাৰ দাসে মানুহৰ জীৱনৰ প্ৰতিটো ক্ষণ বহুমূলীয়া বুলি মত পোষণ কৰে। সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত হৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ শৈক্ষিক পঞ্জীয়ক তথা বুৰঞ্জী বিভাগৰ প্ৰাক্তন অধ্যাপক ৰাজীৱ সন্দিকৈয়ে 'ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০'ৰ বিষয়ে প্ৰাচীন জ্ঞান পৰম্পৰাৰ পৰা খৰচী মাৰি বৰ্ণনা কৰে। ছাত্ৰ-ছাত্ৰীক পাঠ্যপুথিৰ জ্ঞানতে সীমাবদ্ধ নাৰাখি সৰ্বাংগীণ বিকাশৰ জ্ঞান দিয়াহে ৰাষ্ট্ৰীয় শিক্ষানীতিৰ মূল উদ্দেশ্য বুলি অধ্যাপক সন্দিকৈয়ে বক্তব্য ৰাখে। উক্ত সভাতেই নিমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সদস্য তথা অধ্যাপিকা চন্দনা



শৰ্মা আৰু দিছপুৰ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° অমৰ শইকীয়া। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ আলোচনী বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'প্ৰেৰণা'ৰ লগতে দিছপুৰ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'দিছপুৰীয়ান', অসমীয়া বিভাগৰ হাতে লিখা আলোচনী 'প্ৰবাহ' আৰু দিছপুৰ মহাবিদ্যালয় প্ৰকাশন পৰিষদৰ উদ্যোগত আই কে এছ কেন্দ্ৰৰ পৰা দৰ্শন বিভাগৰ সহযোগী অধ্যাপিকা ড° মামণি কলিতাৰ সম্পাদনাত 'Indian Knowledge System : Philosophy, Science & Culture', মহিলা কোষৰ পৰা অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপিকা ড° মনালিছা ভট্টাচাৰ্যৰ সম্পাদনাত 'Women and Assam', বুৰঞ্জী বিভাগৰ পৰা চেৰলিন ইংযাইপিৰ সম্পাদনাত 'Memory, Identity' and history, ইংৰাজী বিভাগৰ পৰা ড° বিনয় চেতিয়াৰ সম্পাদনাত 'Memory : Uncharted Territories' শীৰ্ষক গ্ৰন্থ উন্মোচন কৰা হয়। উক্ত সভাতেই ২০২৪-২৫ বৰ্ষৰ শ্ৰেষ্ঠ স্নাতক, শ্ৰেষ্ঠ পুথিভঁৰাল পঢ়ুৱৈ, শ্ৰেষ্ঠ বিভাগ, শ্ৰেষ্ঠ এন এছ এছ ভলণ্টিয়াৰ বঁটা আদিও প্ৰদান কৰা হয়। জাতীয় সংগীতেৰে সামৰণি পেলোৱা মুকলি সভাৰ পৰৱৰ্তী সাংস্কৃতিক অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলে গীত-নৃত্য পৰিবেশন কৰে। মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ ড° সুনীতা আগৰৱালাই বন্তি প্ৰজ্বলন কৰি দিনজোৰা কাৰ্যসূচীৰ সামৰণি পেলায়।